## জীৱনশিল্পী লক্ষ্যধৰ চৌধুৰী

# ‘মানুহ বিচাৰি’ ফুৰা অসমৰ আন এজন ‘ৰসৰাজ’

হেমপ্ৰকাশ মাউত


অসমীয়া সাহিত্য-সংস্কৃতি জগতৰ আন এগৰাকী ৰসৰাজ যিজনে অসমৰ ৰাইজৰ বাবে আছিল নয়নৰ মণি, যাৰ ৰচনাত আছিল ৰসৰ ভাণ্ডাৰ, যিজনৰ জীৱনটো আছিল সমাজৰ বাবে উৎসৰ্গিত। হয়, তেৱেঁই আছিল অসমৰ আন এগৰাকী ৰসৰাজ, আমাৰ সকলোৰে ককা, জীৱনশিল্পী লক্ষ্যধৰ চৌধুৰী। ১৯১৫ চনৰ অক্টোবৰ মাহৰ এক পবিত্ৰ আৰু আলোকেৰে সজ্জিত আনন্দোচ্ছ্বাসেৰে পালন কৰা এটি পৰ্ব দেৱালীৰ দিনাখনেই উত্তৰ গুৱাহাটীৰ ‘ৰংমহল’ত স্বৰ্গীয় ভূধৰ চৌধুৰী আৰু স্বৰ্গীয় উমা চৌধুৰীৰ ঔৰসত জন্মগ্ৰহণ কৰিছিল এই মহান ব্যক্তিগৰাকীয়ে।

কটন কলেজত নামভৰ্তি কৰি ১৯৩৩ চনত সুখ্যাতিৰে বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৯ চনত উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ হাইস্কুলত শিক্ষকতা বৃত্তিত যোগদান কৰিছিল যদিও তেওঁ সেই চাকৰি এৰি আহি ১৯৪২ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰে। এই আন্দোলনৰ বাবে তেওঁক আৰক্ষীয়ে আটক কৰাৰ লগতে কাৰাবৰণো খাটিবলগীয়া হৈছিল।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পিচতেই ১৯৫২ চনত ‘ছ’চিয়েলিষ্ট পাৰ্টি’ৰ হৈ তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে। কিন্তু প্ৰথমবাৰ তেওঁ সেই নিৰ্বাচনত জয়লাভ কৰা নাছিল। কিন্তু পৰৱৰ্তী সময়ত ‘গুৱাহাটী মিউনিচিপাল কৰ্প’ৰেচন’ৰ নিৰ্বাচনত তেওঁ জয়লাভ কৰিছিল। পিচলৈ তেওঁ অসম বিধানসভাৰ নিৰ্বাচনত ১৯৭৭ চনত জয়লাভ কৰি অসমৰ শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী পদৰ আসনত অধিষ্ঠিত হৈছিল। আৰু পৰৱৰ্তী সময়ত অসম সাহিত্য সভাৰ সভাপতি পদটোও অলংকৃত কৰিছিল। তেওঁ ১৯৪৯ চনত উষা চৌধুৰীৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। তেওঁলোকৰে সুযোগ্য সন্তান ড° অমৰজ্যোতি চৌধুৰী, ড° অৰূপজ্যোতি চৌধুৰী, ডাঃ অঞ্জনজ্যোতি চৌধুৰী, অনুপজ্যোতি চৌধুৰী আৰু অনুৰাধা দাস— এওঁলোক আটায়েই উচ্চ শিক্ষাৰে শিক্ষিত আৰু বৰ্তমান আমাৰ সমাজত একো একোখন উচ্চ আসনত নিয়োজিত ব্যক্তি হিচাপে কৰ্মৰত।

ছাত্ৰ অৱস্থাৰে পৰা লক্ষ্যধৰ চৌধুৰীদেৱ এজন সু-অভিনেতা আছিল। পিচলৈ তেওঁ এজন সু-ৰাজনৈতিক মতাদৰ্শৰ নেতা হিচাপে খ্যাত আছিল যদিও সাহিত্য-সংস্কৃতি জগতখনৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। নৱম মানত পঢ়ি থকা কালতেই তেওঁ ৰচনা কৰি গৈছে এখন নাট ‘একলব্য’। তেওঁ ৰচনা কৰা কেইবাখনো নাটকৰ ভিতৰত— ৰক্ষ কুমাৰ, আলীবাবা, ওমলা ঘৰ, নিমিলা অংক ইত্যাদিয়েই প্ৰধান। ‘ঠিকনা’ চৌধুৰীৰ এক অনন্য নাটক। তেওঁৰ বিভিন্ন নাটক আৰু পৰিচালনাৰে পৰিবেশন কৰা কুমাৰ ভাস্কৰ নাট্য মন্দিৰ সেই সময়ত সৃষ্টি হৈছিল আৰু দোপতদোপে নাট্য জগতখন সমাজৰ বাবে আগবঢ়াই লৈ যোৱাত সহায় কৰিছিল। তেওঁৰ পৰিচালিত কেইবাখনো অসমীয়া ছৱিৰ ভিতৰত ‘নিমিলা অংক’ আৰু ‘লাচিত বৰফুকন’ ইত্যাদিয়ে বিশেষভাৱে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

চৌধুৰীদেৱে ৰচনা কৰা বিভিন্ন ৰচনা, গল্প ইত্যাদিত অসমীয়া সমাজ-জীৱনক এনেভাৱে সাঙুৰি লৈছিল যে সহজ-সৰল চহা লোকসকলে তেওঁৰ ৰচনাক একেবাৰে উজুটি নোখোৱাকৈ হৃদয়ংগম কৰিব পাৰিছিল। তেওঁৰ ব্যংগাত্মক ৰচনাৰ শৈলীৰ বাবেই অসমৰ দ্বিতীয় এগৰাকী ৰসৰাজ বুলিও জনাজাত। চৌধুৰীদেৱৰ অন্যতম কবিতা ‘মোৰ লক্ষ্য’ আমাৰ সাহিত্যলৈ আগবঢ়োৱা এক বহুমূলীয়া অৱদান।



ব্যক্তিগত কিছু উপসংহাৰ সংযোগ কৰিবলৈ মন কৰা কথাটো হ’ল যে লক্ষ্যধৰ চৌধুৰীয়ে ৰচনা কৰা অন্যতম সংকলন ‘মানুহ বিচাৰি’ নামৰ গ্ৰন্থখন। ইমান সহজ-সৰল ভাষাৰে এই গ্ৰন্থখনত প্ৰত্যেকটো কাহিনী বৰ্ণনা কৰিছে যে ভাবিলে অভিভূত হওঁ। এই গ্ৰন্থখনত উল্লেখ কৰা চণ্ডীকাই, কান্দুৰা গণেশ, নুৰুদ্দিন, কুমুদ ভাই, মুলুকচা, কোটোৰা, কীৰ্তি ডাক্তৰ, মছ্লে চাংমা, অন্নপ্ৰভা নবৌ, মতলিব আলী, দনা বাপু, ফটিক মেম্বৰ, মায়ামতী পেহী, লেতেৰা, খুকুলী বাই, যুম্‌কি, কুতুবুদ্দিন, গেৰীবাই, হীৰালাল আদি শিৰোনামৰ লেখাবোৰ পঢ়িলে বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি এখন আপোনা-আপুনি মনোজগতত প্ৰৱেশ কৰে আৰু এই বাস্তৱ চৰিত্ৰবিলাকৰ যোগেদি মানুহ জীয়াই থকাৰ প্ৰকৃত আনন্দখিনিক হৃদয়ংগম কৰিব পাৰি। জীৱনজোৰা শিল্পীগৰাকীয়ে জীৱনটোত কেৱল সৃষ্টিকেই মুখ্য কৰি লৈছিল। আমি ভবা সৰু সৰু মানুহৰ চৰিত্ৰবিলাকক ইমান সূক্ষ্মাতিসূক্ষ্মভাৱে কেনেদৰে বিচাৰ কৰি একেবাৰে নিজৰ ছাঁৰ দৰে লগতে ৰাখিবলৈ সক্ষম হৈছিল, কথাবোৰ ভাবিলে আচৰিত লাগে। জীৱনৰ সকলো ঘাত-প্ৰতিঘাতৰ মাজতো সদায়ে হাঁহিৰে মন জয় কৰিবলৈ সক্ষম হোৱাৰ লগতে সকলোকে ৰস আৰু হাঁহিৰে মুগ্ধ কৰিব পৰা এইজনা পুৰুষ সঁচাকৈয়ে মহান গুণৰ অধিকাৰী আছিল। একাধাৰে ইমান গুণ-গৰিমা থকা এজন ব্যক্তিয়ে সদায়ে যে এটি অনুভূতিসুলভ মন লৈ ঘূৰি ফুৰিছিল, এই ‘মানুহ বিচাৰি’ নামৰ গ্ৰন্থখনেই প্ৰমাণ কৰে।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰে সমাজখনক আগুৱাই নিবৰ বাবে তেওঁ যিধৰণে জীৱনটোকে উৎসৰ্গা কৰি গৈছে সেই দৃষ্টান্ত বিৰল। এইজনা ব্যক্তিৰ প্ৰতি আমি কৰিবলগীয়া বহুতো আছে। পিচে কিদৰে কৰিম? বৰ্তমান পৃথিৱীখনৰ খৰ গতিত যিদৰে পৰিৱৰ্তন হৈছে, বিশ্বায়ন হৈছে, সহজেই সকলো বস্তু হাততে পোৱাৰ ব্যৱস্থা হৈছে, শিক্ষা হৈছে— সকলো হৈছে। কিন্তু আমি যেন ক’ৰবাত শূন্যতা অনুভৱ কৰিছো, এনে অনুমান হয়। সকলো ক্ষেত্ৰতে আগবাঢ়ি গৈছো ঠিকেই, পিচে পিচপৰি গৈছো অন্য কিছুমান গুৰুত্বপূৰ্ণ দিশত, যিবিলাকৰ বাবে আমাৰ সমাজখন বিশৃংখলিত ৰূপলৈ পুনৰ গতি কৰিবলৈ ধৰিছে। অতীতৰ মহান পুৰুষসকলে যিদৰে অহোপুৰুষাৰ্থ কৰি কষ্টোপাৰ্জিত জ্ঞান আমাক দিবলৈ যত্ন কৰিছিল, সেইসমূহক হৃদয়ংগম কৰিবলৈ আমি যেন অপাৰগ। উদাহৰণস্বৰূপে, তেখেতসকলে সৃষ্টি কৰি থৈ যোৱা সাহিত্য-সংস্কৃতিক আমি উপলব্ধি কৰিবলৈ সময় নাই, এখন ভাল কিতাপ পঢ়াৰ বাবে সময় নাই, এখন ভাল ছবি চাবৰ বাবে সময় নাই, এটি ভাল আলোচনা কৰিবলৈ আমাৰ সময় নাই।

*(ওঠৰ আগষ্টৰ মৃত্যু দিৱস উপলক্ষে)*

**জীৱনৰ সকলো ঘাত-প্ৰতিঘাতৰ মাজতো সদায়ে হাঁহিৰে মন জয় কৰিবলৈ সক্ষম হোৱাৰ লগতে সকলোকে ৰস আৰু হাঁহিৰে মুগ্ধ কৰিব পৰা এইজনা পুৰুষ সঁচাকৈয়ে মহান গুণৰ অধিকাৰী আছিল।... অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰে সমাজখনক আগুৱাই নিবৰ বাবে তেওঁ যিধৰণে জীৱনটোকে উৎসৰ্গা কৰি গৈছে সেই দৃষ্টান্ত বিৰল।**